# 2014

## ASSAMESE

## ( Major )

Paper : 1.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) বড়ু চণ্ডীদাস ৰচিত পুথিখনৰ নাম কি?

(খ) ‘হৰগৌৰী সংবাদ’ নামৰ পুথিখনৰ ৰচক কোন?

(গ) হৰিবৰ বিপ্ৰক কোন ৰজাই পৃষ্ঠপোষকতা কৰিছিল?

(ঘ) মনসা সাহিত্যৰ শ্ৰেষ্ঠ কবি বুলি কাক কোৱা হয়?

(ঙ) ‘উষা পৰিণয়’ৰ ৰচক কোন?

(চ) শঙ্কৰদেৱ বিৰচিত ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ বিষয়বস্তু ক’ৰ পৰা গ্ৰহণ কৰা হৈছিল?

(ছ) অসমীয়া সাহিত্যত কিমানটা বৰগীত প্ৰচলিত হৈ আছে?

(জ) 'শ্ৰীচন্দ্ৰ ভাৰতী' নাম কোনজন অসমীয়া কবিক দিছিল?

(ঝ) 'চৰ্যাচৰ্যবিনিশ্চয়' নামৰ পুথিখনত কিমানটা পূৰ্ণ গীত পোৱা যায়?

(ঞ) "কাআ তৰুবৰ পঞ্চ বি ডাল" ইয়াত 'পঞ্চ বি ডাল' মানে কি বুজাইছে?

২। চুটিকৈ লিখা : ২×৫=১০

(ক) সন্ধ্যাভাষা কাক বোলে?

(খ) শঙ্কৰদেৱৰ ৰচিত দুখন কাব্যৰ নাম লিখা।

(গ) মাধৱদেৱৰ বিৰচিত গীতসমূহৰ ভাৱ আৰু ভাষা কি?

(ঘ) 'বধকাব্য'ৰ ৰচক কোন? এই কাব্যসমূহৰ মূল কি?

(ঙ) পাঁচালী কবি দুগৰাকীৰ নাম লিখা।

৩। প্ৰসঙ্গ-সঙ্গতি দেখুৱাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) "সেনাপতি লৰি ভৈল মলয়ৰ বাৱ।
মহাবীৰ নাদ ভৈল কোকিলৰ ৰাৱ॥
পক্ষীগণ ৰাৱে যেন বাৰে বাদ্য ভণ্ড।
নাগেশ্বৰ ফুল কাম নৃপতিৰ দণ্ড॥"





(খ) "নগৰত নৰ-নাৰী নট-নটী ভাট।
অম্ৰাৱতী সদৃশ যে অযোধ্যাৰ পাট॥
হস্তী-ঘোঁৰা সৈন্যসৱ বন্ধু যে বান্ধৱ।
সৱে হৰুৱাইলো মোৰ নাহি সুখ গাৱ॥"

(গ) "উষা বোলে সাত দিন সাত যুগ মোৰ।
ৰহে বা নৰহে প্ৰাণ আগে কৈলো তোৰ॥
যেন তেন প্ৰকাৰে ৰহিবো সাত দিন।
আৰ দিন স্বামী পাইবো তাৰ কিবা চিন্ন॥"

(ঘ) "আসিয়া ইবাৰ কৃষ্ণ অৱতাৰ
হুয়া আছো তযু ঘৰে।
কাণ-খোৱা নাম শুনি মোৰ গাৱ
তৰতৰি কাম্পে ডৰে॥"

(ঙ) "গোৱালগণত বৰ আনন্দ মিলিল।
ধেনু বৎস বৃষক হালধি তৈল দিল॥
সাঞ্জি মাঞ্জি গোষ্ঠকে লিপিল গন্ধ জলে।
বিচিত্ৰ পতাকা ধ্বজ ৰচিল চিৰলে॥"

(চ) "নট ভাট প্ৰাৰ্থকৰ পূৰিলন্ত মন।
সেইদিনা ধৰি ভৈল গোকুল সম্পন্ন॥
হৰিৰ নিবাসে দশগুণে গৈল জলি।
সাক্ষাতে লক্ষ্মীৰ সিতো ভৈল ক্ৰীড়াস্থলি॥"

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ কৰিবা : ১০×৪=৪০

(ক) বৌদ্ধ ধৰ্মৰ কোন শাখাৰ সিদ্ধাচাৰ্যৰ দ্বাৰা চৰ্যাগীতসমূহ ৰচিত? এওঁলোকৰ মতে নিৰ্বাণৰ উপায় কি কি? চৰ্যাপদৰ ভাষাৰ বৈশিষ্ট্যসমূহ কি, আলোচনা কৰা।

*অথবা*

১নং চৰ্যাগীতটিৰ ৰচক কোন ? এই গীতটিৰ অন্তৰ্নিহিত ভাৱ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) ধ্ৰুপদী কবিতা বুলিলে কি বুজা ? অসমীয়া ধ্ৰুপদী কবিতাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

*অথবা*

'চিত্ৰকূটৰ চিত্ৰ' নামৰ কবিতাটিৰ কাব্যিক সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰা।

(গ) শঙ্কৰদেৱৰ 'নন্দোৎসৱ' কাব্যাংশত কোনটো উৎসৱক 'নন্দোৎসৱ' আখ্যা দিয়া হৈছে? এই উৎসৱত গোৱাল আৰু গোপীসকলৰ ভূমিকা কেনেকুৱা আছিল, আলোচনা কৰা।

*অথবা*

শ্ৰীধৰ কন্দলীৰ 'কাণ-খোৱা' কবিতাত কৃষ্ণৰ শিশুসুলভ ৰূপ কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঘ) দুৰ্গাবৰৰ 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চৈত্ৰাৱলী চতুৰ্দশীৰ মোটখেলা' কবিতাটিৰ আলমত ৰাম আৰু সীতাৰ চৰিত্ৰ বিশ্লেষণ কৰা।

*অথবা*

পীতাম্বৰৰ 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কাব্যাংশ কোন কাব্যৰ পৰা অনা হৈছে? এই কাব্যাংশত চিত্ৰলেখাই স্বৰ্গৰ কোন কোন পুৰুষৰ পট, কেনেদৰে নিৰ্মাণ কৰাৰ বৰ্ণনা আছে, আলোচনা কৰা।

★★★